মই তোমালোকক অৱগত নকৰিমনে যে, তোমালোকৰ মাজত কোন সবাতোকৈ উৎকৃষ্ট আৰু কোন সবাতোকৈ নিকৃষ্ট?

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছে যে, এবাৰ ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে বহি থকা কিছুমান লোকৰ ওচৰলৈ আহি ক'লেঃ "মই তোমালোকক অৱগত নকৰিমনে যে, তোমালোকৰ মাজত কোন সবাতোকৈ উৎকৃষ্ট আৰু কোন সবাতোকৈ নিকৃষ্ট?" বৰ্ণনাকাৰী কৈছেঃ সকলোৱে নিমাত হৈ থাকিল। তেখেতে এই কথা তিনিবাৰ ক'লে। তাৰ পিছত এজনে ক'লেঃ হে আল্লাহৰ ৰাছুল! হয়, নিশ্চয় কওক। কোন আমাৰ মাজত সবাতোকৈ উৎকৃষ্ট আৰু কোন সবাতোকৈ নিকৃষ্ট। তেখেতে ক'লেঃ "তোমালোকৰ মাজত
উৎকৃষ্ট হৈছে সেইজন ব্যক্তি, যাৰ পৰা কল্যাণ আশা কৰিব পাৰি আৰু যাৰ অনিষ্টৰ পৰা
নিৰাপদ থাকিব পাৰি। আনহাতে নিকৃষ্ট হৈছে সেই ব্যক্তি, যাৰ পৰা কোনো ধৰণৰ কল্যাণ
আশা কৰিব নোৱাৰি, আৰু যাৰ অনিষ্টৰ পৰা নিৰাপদো থাকিব নোৱাৰি।"
[ছহীহ] [(তিৰমিজী)]

কেইজনমান চাহাবী বহি আছিল, সেই সময়তে তাত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে আহি ক'লেঃ মই তোমালোকক এনেকুৱা এটা বিষয় নিশিকামনে, যাৰ ফলত তোমালোকে জানিব পাৰিবা যে, তোমালোকৰ মাজত সৰ্বোত্তম কোন আৰু আটাইতকৈ নিকৃষ্ট কোন? তেওঁলোকে কোনো কথা নক'লে আৰু কোনো উত্তৰ নিদিলে। তেওঁলোকৰ মাজত উৎকৃষ্ট নিকৃষ্ট পাৰ্থক্য হোৱাৰ ভয়ত, তথা অপমানিত আৰু লাঞ্ছিত হোৱাৰ আশংকাত, তেওঁলোকে কোনো কথা কোৱা নাছিল। সেয়ে নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তিনিবাৰ এই প্ৰশ্নটো পুনৰাবৃত্তি কৰিলে। তেতিয়া তেওঁলোকৰ মাজৰ এজনে ক'লে যে, হয়, নিশ্চয় আমাক জনাই দিয়ক হে আল্লাহৰ ৰাছুল! কোন আমাৰ মাজত উৎকৃষ্ট আৰু কোনো নিকৃষ্ট। তেতিয়া নবী চাল্লাল্লাহু আলাইহি অছাল্লামে তেওঁলোকক স্পষ্টভাৱে জনাই দিলে যে, তোমালোকৰ মাজত শ্ৰেষ্ঠ ব্যক্তি হৈছে সেইজন, যাৰ ওচৰত ভাল কিবা আশা কৰিব পাৰি, দয়া আৰু উপকাৰৰ প্ৰত্যাশা কৰিব পাৰি, আৰু তাৰ অনিষ্টৰ পৰা নিৰাপদ অনুভৱ হয়। অৰ্থাৎ এনেকুৱা কোনো আশংকা নাথাকে যে, তেওঁ অনিষ্ট কৰিব পাৰে তথা অন্যায়-অত্যাচাৰ কৰিব পাৰে। আনহাতে তোমালোকৰ মাজত নিকৃষ্ট হৈছে সেই ব্যক্তি, যাৰ পৰা একো ভাল আশা কৰিব নোৱাৰি, যাৰ পৰা কোনো ধৰণৰ দয়া আৰু কল্যাণ আশা কৰিব নোৱাৰি, বৰং যাৰ অনিষ্টৰ পৰা নিৰাপদ বুলিও অনুভৱ নহয়। সদায় তাৰ ফালৰ পৰা অন্যায়-অত্যাচাৰ হোৱাৰ আশংকা থাকে।

http://www.sunnah.global/hadeeth/as/show/66254